# <u>পিএচিএল লিমিটেডৰ ক্ষেত্ৰত সঘনাই সোধা কিছুমান প্ৰশ্ন</u>

<u>পৃষ্ঠভূমিঃ</u>

1. পিএচিএল লিমিটেড, (পিএচিএল)য়ে বিভিন্ন সংগ্ৰহযোগ্য বিনিয়োগ আঁচনিৰ পৰা প্ৰায় 49000 কোটি টকা সংগ্ৰহৰ দাবী কৰিছে। 22 আগষ্ট 2014 তাৰিখৰ আদেশ অনুযায়ী ছেবিয়ে কৈছে যে পিএচিএলৰ আঁচনিসমূহ চিআইএছৰ অন্তৰ্গত হয় তথা তিনি মাহৰ ভিতৰত সংগ্ৰহীত ধনসমূহ গ্ৰাহকসকলক প্ৰাপ্যনুসৰি ঘূৰাই দিব।

2. পিএচিএলৰ পৃষ্ঠপোষক/অধ্যক্ষই মাননীয় ছিকিউৰিটিজ এপ্লেলেট ত্ৰিবুনেল (এছএটি)ক অনুৰোধ কৰিছে যিয়ে তেওঁলোকৰ আবেদন খাৰিজ কৰিছে আৰু ছেবিৰ আদেশৰ পক্ষালম্বন কৰিছে। 14 আগষ্ট 2015ৰ আদেশ অনুযায়ী ক্ষতিগ্ৰস্ত হোৱাৰ পিছত, আবেদনসমূহ মহামান্য উচ্চতম ন্যায়ালয়ৰ সন্মুখত এছএটিৰ আদেশৰ বিৰোধিতা হোৱাৰ আগেয়ে প্ৰস্তুত কৰা হৈছে।

3. মহামান্য উচ্চতম ন্যায়ালয়ে পিএচিএল লিমিটেড বনাম ছিকিউৰিটিজ একচেঞ্জ ব’ৰ্ড অৱ ইণ্ডিয়া (চিভিল এপীল নং 13394/2015)ৰ ক্ষেত্ৰত ইয়াৰ 2 ফেব্ৰুৱাৰী 2016ৰ দ্ৰষ্টব্য আদেশ অনুসৰি তথা অৱসৰপ্ৰাপ্ত ন্যায়াধীশ আৰ.এম. লোধা (ভাৰতৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ)ৰ নেতৃত্বত কমিটিখনে পিএচিএলৰ সকলো স্থাৱৰ/অস্থাৱৰ সামগ্ৰী জব্দ কৰি আৰু সেইবোৰ বিক্ৰী কৰি গ্ৰাহকক তেওঁলোকৰ ধনসমূহ ঘূৰাই দিবলৈ আদেশ দিয়ে।

4. সেই অনুসৰি কমিটিয়ে চিবিআইৰ পৰা পিএচিএলৰ সকলো তথ্য হস্তগত কৰি আছে আৰু যিবোৰ গ্ৰাহকে পিএচিএলৰ বিভিন্ন আঁচনিত ধন বিনিয়োগ কৰিছিল, পৰীক্ষণৰ অন্তত তেওঁলোকক প্ৰাপ্য ধনসমূহ ঘূৰাই দিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ঠিক সেইসময়তে পিএচিএলৰ গ্ৰাহকসকলক ৰাজহুৱা জাননীৰ প্ৰতি চকু ৰাখিবলৈ অনুৰোধ কৰা হৈছে;

   (i) কমিটিক অৱগত নকৰাকৈ পিএচিএলৰ সৈতে অথবা পিএচিএলৰ কোনো ব্যক্তিৰ সৈতে কোনো ভাৱে সংযুক্ত/তথ্য আদান-প্ৰদান আদি নকৰিবলৈ অনুৰোধ কৰা হৈছে; আৰু
   (ii) পিএচিএল লিমিটেড/ইয়াৰ বিষয়া অথবা এজেন্টৰ সৈতে কোনো নতুন বিনিয়োগ বা ইনষ্টলমেন্টৰ লেন দেন নকৰিবলৈ অনুৰোধ জনোৱা হৈছে।

1. মই এজন পিএচিএলৰ গ্ৰাহক। মই কি কৰা উচিত?

উত্তৰ- 05.03.2016ৰ আদেশানুযায়ী পিএচিএলৰ গ্ৰাহকসকলক প্ৰকৃত তথ্যসমূহ নিজৰ লগত ৰাখিবলৈ অনুৰোধ জনোৱা হৈছে। কমিটিয়ে বিচাৰিলে সেই তথ্যসমূহ কমিটিক প্ৰদান কৰিব লাগিব। প্ৰাপ্য টকা পুনৰুদ্ধাৰৰ বাবে প্ৰকৃত তথ্য জমাটো দিয়াটো প্ৰয়োজনীয় অন্যথা ইয়াৰ বাবে পুনৰ্বিবেচনা কৰা নহ’ব।

2. পুনৰুদ্ধাৰৰ বাবে মোৰ আবেদনসমূহ ক'লৈ পঠিওৱা উচিত?

উত্তৰ- ছেবি/কমিটিয়ে ৰাজহুৱা জাননী/বিজ্ঞাপনৰ জৰিয়তে পিএচিএলৰ গ্ৰাহকসকলক এই বিষয়ে অৱগত কৰিব। সেই ৰাজহুৱা জাননী/বিজ্ঞাপন প্ৰচাৰ নোহোৱা পৰ্যন্ত গ্ৰাহকসকলক প্ৰকৃত তথ্যসমূহ নিজৰ লগতে ৰাখিবলৈ অনুৰোধ জনোৱা হ'ল আৰু কোনো ব্যক্তি অথবা এজেন্টৰ সৈতে আদান-প্ৰদান নকৰিবলৈও অনুৰোধ জনোৱা হ'ল।

3. পুনৰুদ্ধাৰৰ আৱেদনসমূহ কেতিয়া আৰু ক'লৈ পঠোৱা উচিত?

উত্তৰ- পিএচিএলৰ গ্ৰাহকসকলক এক বিশেষ জাননীৰ জৰিয়তে অৱগত কৰা হ'ল যে বিজ্ঞাপনত/ৰাজহুৱা জাননীত প্ৰচাৰ হোৱা অনুসৰি ঠিকনা/নিৰ্দেশিত কৰ্তৃপক্ষলৈহে যাতে প্ৰয়োজনীয় সম্পূৰ্ণ তথ্যৰে সৈতে টকা পুনৰুদ্ধাৰৰ বাবে আৱেদন পঠায়।

4. পিএচিএল লিমিটেডৰ গ্ৰাহকৰ আবেদন ছেবিয়ে কেতিয়া গ্ৰহণ কৰিব?

উত্তৰ- পিএচিএলৰ সামগ্ৰীসমূহ বিক্ৰী কৰি প্ৰয়োজনীয় টকা উপলব্ধ হোৱাৰ মুহূৰ্ততে ছেবিয়ে পিএচিএলৰ গ্ৰাহকসকলৰ পৰা আবেদন গ্ৰহণ কৰা আৰম্ভ কৰিব। কমিটিৰ দ্বাৰা নিৰ্দেশিত বিন্যাস অনুযায়ী গ্ৰাহকক তেওঁলোকৰ টকা পুনৰুদ্ধাৰৰ বাবে আবেদনৰ আহ্বান কৰিব।

5. বিনিয়োগ কৰা আঁচনিৰ মেচিউৰিটি তাৰিখ ইতিমধ্যেই পাৰ হৈছে আৰু পিএচিএলৰ এজেন্টে মোক অন্য আঁচনিত বিনিয়োগৰ বাবে আহ্বান কৰিছে। এই ক্ষেত্ৰত মই কি কৰা উচিত?

উত্তৰ- এই ক্ষেত্ৰত গ্ৰাহকক প্ৰকৃত তথ্য নিজৰ লগত ৰাখিবলৈ অনুৰোধ জনোৱা হৈছে আৰু সেই তথ্য বিচৰা সময়ত টকা পুনৰুদ্ধাৰৰ বাবে জমা দিবলৈ আহ্বান কৰা হৈছে। তাৰোপৰি পিএচিএলৰ কোনো ব্যক্তি বা এজেন্টক গ্ৰাহকক বিনিয়োগ আঁচনি সলনি বা বিনিয়োগৰ বাবে চাপ দিবলৈ নিষেধাজ্ঞা প্ৰদান কৰা হৈছে। কমিটিক মহামান্য উচ্চতম ন্যায়ালয়ৰ আদেশ অনুসৰি পিএচিএলৰ সামগ্ৰী বিক্ৰী কৰি প্ৰকৃত বিনিয়োগকাৰীক সেই টকা ঘূৰাই দিবলৈ আদেশ প্ৰদান কৰা হৈছে। এই আদেশ উলংঘন কৰা ব্যক্তিয়ে মহামান্য উচ্চতম ন্যায়ালয়ক অৱমাননা কৰাটো বুজাব, সেয়ে তেনে নকৰিবলৈ অনুৰোধ জনোৱা হ'ল।

6. এই সময়চোৱাত মই কি কৰা উচিত?

উত্তৰ- এই সময়চোৱাত আপুনি ছেবি/কমিটিৰ প্ৰেছ বিজ্ঞপ্তি/বিজ্ঞাপনৰ বাবে দৈনিক বাতৰি কাকত চাওক। আপুনি ছেবিৰ ৱেবছাইট www.sebi.gov.in তো চাব পাৰে অথবা হেল্পলাইন নম্বৰ 1800 266 7575 বা 1800 22 7575 তো যোগাযোগ কৰিব পাৰে।